ব্রিটিছ সংবিধানৰ উৎসসমূহ
(Sources of the British Constitution)

ব্রিটিছ সংবিধানখন কোনো সংবিধান প্রণেতা সমিতিয়ে প্রণয়ন কৰা নাছিল। ব্রিটিছ সংবিধানখনে ভালেমান ঐতিহাসিক ঘটনা আৰু সমাজৰ প্রগতিমূলক চিন্তাৰ ক্রমবিকাশৰ ফলস্বৰূপে বর্তমানৰ অৱস্থা লাভ কৰিছে। যিবিলাক উপাদানে ব্রিটিছ সংবিধানক সংবিধানৰ ৰূপ প্রদান কৰিছে সিবিলাকক সংবিধানৰ উৎস বুলি কোৱা হয়। ব্রিটিছ সংবিধানৰ উৎসসমূহক প্রধানকৈ পাঁচটা ভাগত ভাগ কৰিব পাৰি। ইবিলাক হ'ল—

(১) ঐতিহাসিক নথি পত্র বা চনদ,

(২) সংসদৰ দ্বাৰা প্ৰণোদিত আইন,

(৩) বিচাৰলায়ৰ সিদ্ধান্ত আৰু আইনজ্ঞ পণ্ডিতৰ ব্যাখ্যা,

(৪) সাধাৰণ আইন, আৰু

(৫) প্ৰথা বা ৰীতি নীতি। ইবিলাক তলত বহুলভাৱে আলোচনা কৰা হ'লঃ—

(১) ঐতিহাসিক নথিপত্ৰ বা চনদ (Historical Document or Charter): ব্ৰিটিছ সংবিধানৰ উৎসসমূহৰ ভিতৰত ভালমান ঐতিহাসিক নথিপত্ৰ বা চনদে প্ৰথম স্থান অধিকাৰ কৰিছে। ইবিলাক অতি গুৰুত্বপূৰ্ণ বুলি এই কাৰণেই কোৱা হয় কাৰণ ঐতিহাসিক নথিপত্ৰসমূহে ব্ৰিটিছ সংবিধানৰ মূল নীতিসমূহক গভীৰভাৱে প্ৰভাৱিত কৰিছে। ইবিলাকৰ ভিতৰত আছে ১২১৫ চনৰ বিখ্যাত মহাচনদ (Magna Carta), ১৬২৮ চনৰ অধিকাৰ আবেদন (The Petition of Rights) আৰু অধিকাৰ বিধেয়ক ১৬৮৯ (Bill of Rights)।

(ক) ৰজা জনৰ (John) দ্বাৰা স্বাক্ষৰিত বিখ্যাত মহাচনদে ব্ৰিটিছ জনসাধাৰণক ভালেমান স্বাধীনতা প্ৰদান কৰিছিল। এই চনদৰ মূল চৰ্তসমূহৰ ভিতৰত আছিল গীৰ্জা আৰু সম্ভ্ৰান্ত বেৰণসকলৰ স্বাধীনতাক স্বীকৃতি দান কৰা আৰু জনসাধাৰণৰ স্বাধীনতা ৰক্ষাৰ কাৰণে বিচাৰালয়ৰ ব্যৱস্থা। ইয়াত কোৱা হৈছিল যে ৰজাই সাধাৰণ পৰিষদ (Common Council)ৰ অনুমোদন নোহোৱাকৈ স্বেচ্ছাচাৰীভাৱে কোনো নতুন কৰ-কাটল লগাব নোৱাৰিব আৰু পীয়েৰৰ দ্বাৰা গঠিত আদালতৰ সিদ্ধান্ত নোহোৱাকৈ ৰজাই কোনো মুক্ত মানৱ (Freeman)ক কাৰাৰুদ্ধ বা শাস্তি প্ৰদান কৰিব নোৱাৰিব।

(খ) ৰজাৰ ভগৱান প্ৰদত্ত ক্ষমতা সীমিত কৰি সংসদীয় সাৰ্বভৌমত্বৰ ভেঁটি প্ৰতিষ্ঠা কৰা আন এক উল্লেখনীয় আইন হ'ল ১৬২৮ চনৰ বিখ্যাত Pentition of Right । ইয়াত কোৱা হ'ল যে সংসদৰ অনুমোদন নোহোৱাকৈ লগোৱা কৰ-কাটল, স্বেচ্ছাচাৰীভাৱে দিয়া কাৰাৰুদ্ধৰ আদেশ আৰু সকলোধৰণৰ সামৰিক আইন অবৈধ আৰু প্ৰজাই এনে আইন বা আদেশ মানিবৰ কাৰণে বাধ্য নহয়।

(গ) ১৬৮৮ চনৰ গৌৰৱময় বিপ্লৱৰ পাছত ৰচনা কৰা ১৬৮৯ চনৰ অধিকাৰ বিধেয়ক (Bill of Rights) এ ব্ৰিটেইনত সংসদৰ সাৰ্বভৌমত্ব দৃঢ়ভাৱে প্ৰতিষ্ঠা কৰে আৰু ৰাজতন্ত্ৰক সীমিত কৰে। ইয়াত কোৱা হৈছিল যে—

- ভৱিষ্যতে ৰজাই সংসদৰ অনুমতি সাপেক্ষেহে সিংহাসনত অধিষ্ঠিত হৈ থাকিব পাৰিব।
- সংসদৰ দ্বাৰা প্ৰণয়ন কৰা যিকোনো আইনক ৰজাই অনুমোদন জনাব লাগিব।
- সংসদৰ সকলো সদস্যই বিতৰ্কত অংশ গ্ৰহণ কৰিব পাৰিব আৰু মুক্তভাৱে মতামত প্ৰকাশ কৰিব পাৰিব।
- কৰ-কাটল লগাবৰ কাৰণে আৰু শান্তিৰ সময়ত সৈন্য বাহিনী ৰাখিবৰ কাৰণে ৰজাই সংসদৰ অনুমোদন ল'ব লাগিব।

(২) সংসদৰ দ্বাৰা প্ৰণোদিত আইন (Statutes): ব্ৰিটিছ সংসদে সময়ে সময়ে প্ৰণয়ন কৰা ভালেমান গুৰুত্বপূৰ্ণ আইনে সংবিধানৰ প্ৰধান অংশ হিচাপে কাম কৰিছে। এই আইনসমূহে ব্ৰিটেইনৰ ৰাজনৈতিক

অনুষ্ঠানসমূহৰ গঠন, ইবিলাকৰ মূলনীতি আৰু জনসাধাৰণৰ লগত চৰকাৰৰ সম্পৰ্ক নিৰ্দ্ধাৰণ কৰিছে। ইবিলাকৰ ভিতৰত আছে ১৯১৮, ১৯২৮ চনৰ জন প্ৰতিনিধিত্ব আইন (Representation of People's Act) যিখনৰ দ্বাৰা ভোটাধিকাৰ গণতান্ত্ৰিক নীতিৰ ওপৰত প্ৰতিষ্ঠা কৰা হৈছে। ১৯১১ আৰু ১৯৪৯ চনৰ সংসদ আইনৰ (Parilament Act) ৰ দ্বাৰা ব্ৰিটিছ সংসদৰ দুয়োখন সদনৰ মাজৰ সম্পৰ্ক নিৰ্দ্ধাৰণ কৰা হৈছে আৰু উচ্চসদন লৰ্ডচ সভাৰ ক্ষমতা সীমিত কৰি নিম্নসদন কমন্স সভাক সৰ্বশক্তিমান কৰা হৈছে। ১৭০১ চনৰ Act of Settlement ৰ দ্বাৰা সিংহাসনৰ উত্তৰাধিকাৰ নিৰ্দ্ধাৰণ কৰা হৈছে। ১৯৩৭ চনৰ Minister's of the Crown Act ৰ যোগেদি মন্ত্ৰীসকলৰ দৰমহাৰ ব্যৱস্থা কৰা হৈছে। ১৮৭৩ চনৰ The Judicature Act আৰু ১৯২৫ চনৰ The Judicature Consolidation Act ৰ দ্বাৰা বিচাৰ বিভাগৰ সাংগঠনিক গাঁঠনি আৰু বিচাৰালয়ৰ স্বাধীনতা নিৰ্দ্ধাৰণ কৰা হৈছে। ১৮১৫ চনৰ The Municipal Corporation Act আৰু অন্যান্য ভালেমান আইনৰ যোগেদি স্থানীয় স্বায়ত্বশাসিত অনুষ্ঠান প্ৰতিষ্ঠা কৰা হৈছে। ১৬৭৯ চনৰ The Habbeas Corpus Act ৰ যোগেদি ব্ৰিটিছ নাগৰিকসকলৰ স্বাধীনতাৰ অধিকাৰক নিশ্চিত ৰূপত প্ৰতিষ্ঠা কৰা হৈছে। উল্লেখিত আইনসমূহৰ উপৰিও আৰু ভালেমান আইনে ব্ৰিটিছ সংবিধানৰ অংশ হিচাপে কাম কৰিছে।

(৩) বিচাৰালয়ৰ সিদ্ধান্ত আৰু আইনজ্ঞ পণ্ডিতৰ বাখ্যা (Judicial Decisions and Legal Commentaries): ব্ৰিটিছ সংবিধানৰ তৃতীয় প্ৰধান উৎস হ'ল বিচাৰালয়ৰ সিদ্ধান্ত আৰু আইনজ্ঞ পণ্ডিতসকলৰ লিখনী বা আইন সম্পৰ্কীয় মন্তব্য। অনেক সময়ত বিচাৰালয়বিলাকে বিবাদমান বিষয়ৰ বিচাৰ কৰোঁতে প্ৰচলিত আইনৰ বাখ্যা দাঙি ধৰি কিছুমান নতুন সাংবিধানিক নীতিৰ সৃষ্টি কৰে। এনে নীতিসমূহ ইয়াৰ পাছতো মানি চলা হয়। এনেকৈ বিচাৰালয়ে প্ৰচলিত আইনৰ ওপৰত দাঙি ধৰা বাখ্যাসমূহে নতুন সাংবিধানিক নীতিৰ গঠন আৰু প্ৰচলিত নীতি সংশোধনত গভীৰ প্ৰভাৱ পেলায়। উদাহৰণস্বৰূপে— ১৬৭০ চনত বিখ্যাত Bushell's গোচৰত ৰায় দান কৰা হৈছিল যে বিচাৰালয়ৰ বিচাৰাধীন গোচৰত বিবাদমান দল, সাক্ষী আৰু অধিবক্তাক মুক্তভাৱে মতামত প্ৰকাশ কৰাৰ অধিকাৰ প্ৰদান কৰিব লাগিব। এনেকৈ সংবিধান বিশেষজ্ঞ আইনজ্ঞ পণ্ডিতসকলৰ আইন সম্পৰ্কীয় মন্তব্য আৰু বিচাৰালয়ৰ সিদ্ধান্তই ব্ৰিটিছ সংবিধানৰ ক্ৰমবিকাশত অৰিহণা যোগাইছে। এডৱাৰ্ড কুক, ওৱালটাৰ বেগহট্, ব্লেকষ্টোন, এ.ভি ডাইচি, হেৰল্ড লাস্কি আৰু জেনিংচৰ অভিজ্ঞতাপুষ্ট লিখনীয়েও ব্ৰিটিছ সংবিধানৰ ক্ৰমবিকাশত অৰিহণা যোগাইছে।

(৪) সাধাৰণ আইন (Common Law): ব্ৰিটিছ সংবিধানৰ আন এক প্ৰধান উৎস হ'ল সাধাৰণ আইন। সাধাৰণ আইন ব্ৰিটিছ সংসদ বা ৰজাৰ দ্বাৰা প্ৰণোদিত আইন নহয়। সাধাৰণ আইন লিখিত ৰূপত পোৱা নাযায়। ইবিলাক ব্ৰিটিছ সমাজত প্ৰচলিত প্ৰথা আৰু নীতিৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছে আৰু ইতিহাসৰ পৰিৱৰ্তনৰ মাজেদি ইবিলাকৰ পৰিবৰ্তন আৰু পৰিবৰ্দ্ধন হৈছে। অৱশ্যে সাধাৰণ আইনৰ এটা বৃহৎ অংশই বিচাৰালয়ৰ সিদ্ধান্তৰ যোগেদি লিখিত ৰূপ লাভ কৰিছে। ব্ৰিটিছ জনসাধাৰণৰ নাগৰিক স্বতন্ত্ৰতা (Civil Liberties) সমূহ সাধাৰণ আইনৰ অৱদান। বাক স্বাধীনতা বা মতামত প্ৰকাশৰ অধিকাৰ, সভা সমিতি বা যিকোনো সংস্থা গঠন কৰাৰ অধিকাৰ, চৰকাৰী বিষয়াৰ স্বেচ্ছাচাৰিতাৰ বিৰুদ্ধে প্ৰতিৰোধৰ অধিকাৰ, ফৌজদাৰী বিষয়ত জুৰিৰ (Jury) দ্বাৰা বিচাৰ কৰাৰ অধিকাৰ ইত্যাদি, ব্ৰিটেইনৰ সাধাৰণ আইনৰ অৱদান। অৱশ্যে বৰ্তমান এই আটাইবোৰ অধিকাৰক বিচাৰালয়ৰ সিদ্ধান্তৰ দ্বাৰা স্বীকৃতি জনোৱা হৈছে।

(৫) প্ৰথা বা ৰীতি-নীতি (Conventions): প্ৰথা বা ৰীতি-নীতি ব্ৰিটিছ সংবিধানৰ আন এক গুৰুত্বপূৰ্ণ উৎস। সংবিধানৰ এক বৃহৎ অংশ প্ৰচলিত প্ৰথা বা দেশাচাৰৰ মাজত সন্নিৰিষ্ট হৈ আছে। ব্ৰিটিছ ৰাজনৈতিক

অনুষ্ঠানসমূহৰ আচৰণ বা কার্যকলাপ প্রধানকৈ প্রথা আৰু ৰীতি-নীতিসমূহে নির্দ্ধাৰণ কৰিছে।

প্রথা বা ৰীতি-নীতিবিলাক বিচাৰালয়ৰ সিদ্ধান্ত বা সাধাৰণ আইনৰ দ্বাৰা সৃষ্টি হোৱা নাই। ৰীতি-নীতিবিলাক আইন নহয়। ইতিহাসে ঢুকি নোপোৱা সময়ৰ পৰা ব্রিটিছ জনসাধাৰণে নিৰবিচ্ছিন্ন মানি চলি অহা কিছুমান নিয়ম নীতিয়ে এটা সময়ত প্রথাৰ ৰূপ লাভ কৰিছে। যদিও ইবিলাক আইন তথাপি সৰহভাগ প্রথা আৰু ৰীতি-নীতিসমূহে ব্রিটিছ সাংবিধানিক গাঁঠনিত ৰক্ত-মাংসৰ দৰে কাম কৰি কোৱা হয়।

ব্রিটেইনত প্রচলিত প্রথাসমূহ চৰকাৰৰ আটাইবোৰ বিভাগৰ লগত জড়িত হৈ আছে। এই প্রথাস কিছুমান ভাগত ভাগ কৰিব পাৰি।

(ক) ৰাজতন্ত্রৰ লগত জড়িত প্রথা (Conventions Relating to Monarchy): ৰাজতন্ত্রৰ জড়িত প্রথাসমূহ এনেধৰণৰ—

- ৰজাই প্রধানমন্ত্রীক নেতা হিচাপে লৈ গঠিত মন্ত্রীসভাৰ পৰমর্শ অনুসৰি প্রশাসন পৰিচা কৰিব লাগিব।
- সংসদে গ্রহণ কৰা কোনো আইন বা কোনো সিদ্ধান্তত ৰজাই ভেটো (Veto) প্রয়োগ ক নোৱাৰিব।
- সংসদৰ নিম্নসদন কমন্স সভাত সংখ্যাগৰিষ্ঠতা লাভ কৰা ৰাজনৈতিক দলটোৰ নেতাগৰ ৰজাই প্রধানমন্ত্রী হিচাপে নিযুক্তি দিব লাগিব।
- ৰজাই মন্ত্রীসভাৰ আলোচনাত সভাপতিত্ব কৰিব নোৱাৰিব।

ৰজাই প্রধানমন্ত্রীৰ পৰামর্শ অনুসৰি নিম্নসদন কমন্স সভা ভংগ কৰিব পাৰিব। ইত্যাদি।

(খ) মন্ত্রীসভাৰ লগত জড়িত প্রথা (Conventions relating time Cabinet): ব্রিটেইনৰ ম কেবিনেট পদ্ধতি প্রথাৰেই অৱদান। প্রথা অনুযায়ী মন্ত্রীসভাখন ইয়াৰ কার্য আৰু নীতিৰ কাৰণে নিম্নস কমন্স সভাৰ সৰহ সংখ্যক সদস্যৰ সমর্থন বা আস্থা লাভ কৰি থাকিব তেতিয়ালৈকে কার্য চলাই যাব পাৰি

মন্ত্রীসভাখন সমূহীয়াভাৱে সংসদৰ ওচৰত দায়ী। মন্ত্রীসভাৰ সকলো সদস্যই একত্রিত হৈ সংস ওচৰত দায়ী। মন্ত্রীসভাৰ সকলো সদস্যই একত্রিত হৈ সংসদৰ মজিয়াত চৰকাৰৰ কার্য আঁচনিৰ যুক্তিযুক্ত প্রতিপন্ন কৰিব পাৰিব।

বিভাগীয় কার্যাৱলীৰ বিফলতাৰ কাৰণে মন্ত্রীসকল গাইগুটীয়াভাবেও সংসদৰ ওচৰত দায়ী। যদি কো এটা বিভাগে দক্ষতাৰে কাম কৰিব পৰা নাই তেতিয়াহ'লে সেই বিভাগটোৰ দক্ষতাহীনতাৰ কাৰণে বিভাগী মন্ত্রীজনক দোষী কৰিব পৰা হ'ব।

যদি মন্ত্রীসভাখন সংসদৰ মজিয়াত পৰাজিত হয় তেতিয়াহ'লে প্রধানমন্ত্রীয়ে কমন্স সভাৰ ভংগৰ কা ৰজাক পৰামর্শ দিব পাৰে। এনে পৰিস্থিতিত ৰজাই বিৰোধী দলৰ নেতাজনক মন্ত্রীসভা গঠনৰ কাৰণে আহ জনাব পাৰে।

মন্ত্রীসভাই সংসদত আলোচনা নকৰাকৈ যি কোনো আন্তঃৰাষ্ট্রীয় চুক্তি সম্পাদন কৰিব পাৰে। অৱ

গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় চুক্তিত সংসদৰ অনুমোদন লাভ কৰিব পৰা হ'বনে নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিহে মন্ত্ৰীসভাই এনে চুক্তি সম্পাদন কৰে।

(গ) সংসদৰ লগত জড়িত প্ৰথা (Conventions Relating to the Parliament): ভালেমান প্ৰথা ব্ৰিটেইনৰ সংসদীয় চৰকাৰৰ কৃতকাৰ্যতাৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। সংসদৰ লগত জড়িত কিছুমান গুৰুত্বপূৰ্ণ প্ৰথা হ'ল—

- বছৰেকত অন্ততঃ এবাৰ সংসদৰ অধিবেশন আহ্বান কৰিব লাগিব।
- ব্ৰিটিছ সংসদ দ্বি সদনযুক্ত হ'ব।
- সংসদত হোৱা আলোচনাত চৰকাৰীপক্ষৰ সদস্য এজনৰ ভাষণৰ পাছত বিৰোধী দলৰ সদস্য এজনক ভাষণৰ কাৰণে আহ্বান কৰিব লাগিব।
- কমন্স সভাৰ অধ্যক্ষই সকলো সময়তে নিৰপেক্ষ ভূমিকা গ্ৰহণ কৰিব। অধ্যক্ষ হিচাপে নিৰ্বাচিত হোৱাৰ পাচত কমন্স সভাৰ সদস্যজনে দলীয় আনুগত্য ত্যাগ কৰিব।
- সংসদৰ এটা সদন হোৱা সত্ত্বেও লৰ্ডচ সভাই দেশৰ সৰ্বোচ্চ আপীল আদালত হিচাপে কাম কৰিব। অৱশ্যে আপীল আদালত হিচাপে কাম কৰা সময়ত লৰ্ডচ সভাত কেৱল আইনজ্ঞ লৰ্ডসকলহে উপস্থিত থাকিব পাৰিব।
- কোনো এখন বিল বা বিধেয়কৰ ওপৰত ভোট দান হোৱাৰ আগতে সদনত তিনিবাৰকৈ পাঠ কৰিব লাগিব। ইত্যাদি।

প্ৰথাৰ বিপৰীতে থকা অনুমোদন (Sanctions behind the Conventions): প্ৰশ্ন হয় যে আইনৰ অংশ হিচাপে পৰিগণিত নোহোৱা, ভংগ কৰিলে শাস্তি বিহিব নোৱাৰা আৰু লিখিত ৰূপত নথকা এই প্ৰথাসমূহ কিয় মানি চলা হয়? এই প্ৰশ্নৰ উত্তৰত এ.ভি ডাইচিয়ে মত প্ৰকাশ কৰিছে যে সৰহভাগ প্ৰথা সাংবিধানিক আইনৰ লগত এনেদৰে জড়িত হৈ আছে যে আইন ভংগ নকৰাকৈ ইবিলাক ভংগ কৰিব নোৱাৰি।

এ.ভি. ডাইচিৰ মতে, ব্ৰিটিছ সংসদৰ লগত জড়িত প্ৰথাসমূহ যদি মানি চলা নহয় তেতিয়াহ'লে ৰাজনৈতিক অচলাৱস্থাৰ সৃষ্টি হ'ব। ডাইচিয়ে এটা উদাহৰণৰ সৈতে ব্যাখ্যা কৰিছে যে এই প্ৰথাসমূহ ব্ৰিটেইনৰ ৰাজনৈতিক জীৱনৰ লগত ইমান ঘনিষ্ঠভাৱে জড়িত হৈ আছে যে ইবিলাক ভংগ কৰা সম্ভৱ নহয়। উদাহৰণস্বৰূপে— সংসদৰ অধিবেশন আহ্বান কৰা নহয় তেতিয়াহ'লে চৰকাৰে বিত্তীয় বিধেয়ক, বিত্তীয় বিনিয়োজন বিধেয়ক গ্ৰহণ কৰিব নোৱাৰিব আৰু ফলস্বৰূপে টকা কড়িও খৰচ কৰিব নোৱাৰা হ'ব।

লৱেল (Lowell)ৰ মতে প্ৰথাসমূহ উলংঘা নকৰাৰ প্ৰধান কাৰণ হ'ল যে ইবিলাক সৌজন্যতা বা সন্মানৰ লগত জড়িত হৈ আছে আৰু সেইকাৰণে খেলৰ নিয়মৰ দৰে ইবিলাক মানি চলা হয়। **হে�ৰল্ড লাস্কি (Harold Laski)**ৰ মতে ব্ৰিটিছ জনসাধাৰণৰ ৰক্ষণশীল মনোভাৱৰ কাৰণেহে প্ৰথাসমূহ ভংগ কৰা নহয়। তেওঁৰ মতে, প্ৰথাসমূহ মানি চলা ব্ৰিটিছ ৰক্ষণশীল দল বেছি দৃঢ়।

আইভৰ জেনিংচৰ মতে, প্ৰথা বা ৰীতি-নীতিসমূহ মানি চলাৰ মূল কাৰণ হ'ল জনমতৰ প্ৰবল হেঁচা। যিহেতু ব্ৰিটেইনৰ সংসদীয় গণতন্ত্ৰ জনসাধাৰণৰ সন্মতি আৰু সমৰ্থনৰ ওপৰত নিৰ্ভৰশীল সেইকাৰণে চৰকাৰে প্ৰথাসমূহ ভংগ কৰিবলৈ সাহস কৰিব নোৱাৰে।